**2018**

ECONOMICS

( Major )

Paper : 1.1

**( Microeconomics—I )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following as directed : 1×10=10

তলত দিয়াসমূহৰ নিৰ্দেশানুযায়ী উত্তৰ লিখা :

(a) The continuous movement farther and farther away from the original equilibrium position refers to _____ equilibrium.

( Fill in the blank )

মূল ভাবসাম্য বিন্দুৰ পৰা অবিৰতভাৱে দূৰ আৰু দূৰলৈ গতি কৰাটোৰে _____ ভাবসাম্যস্থিতিক বুজায়।

( খালী ঠাই পূৰণ কৰা )

(b) When the price of a substitute of commodity *A* falls, the demand for *A*

(i) rises

(ii) falls

(iii) remains unchanged

( Choose the correct one )

যেতিয়া *A* দ্ৰব্যবিধৰ বিকল্পৰ দাম কমে, তেতিয়া *A*ৰ প্ৰতি চাহিদা

(i) বাঢ়ে

(ii) কমে

(iii) একেই থাকে

( শুদ্ধটো বাছি উলিওৱা )

(c) While drawing an individual demand curve for a commodity, all but which one of the following are kept constant?

দ্ৰব্য এটাৰ চাহিদা ৰেখা অঙ্কন কৰোঁতে তলৰ কোনটোৰ বাহিৰে বাকীবোৰ অপৰিৱৰ্তিত থাকে বুলি ধৰি লোৱা হয়?

(i) The price of the commodity under consideration

বিবেচনাৰ বাবে দ্ৰব্যবিধৰ দৰ

(ii) The prices of other related commodities

অন্য সম্পৰ্ক থকা দ্ৰব্যৰ দৰ

(iii) The individual's money income

ভোক্তাজনৰ মুদ্ৰা আয়

(iv) The tastes and habits of the individual

ভোক্তাজনৰ ৰুচি আৰু অভ্যাস

( Choose the correct one )

( শুদ্ধটো বাছি উলিওৱা )

(d) If the income elasticity of demand is greater than 1, the commodity is an inferior good.

( Write True or False )

যদি চাহিদাৰ আয় স্থিতিস্থাপকতা এককতকৈ অধিক হয়, তেন্তে দ্ৰব্যবিধ নিকৃষ্ট দ্ৰব্য হ'ব।

( সত্য নে অসত্য লিখা )

(e) What does a budget constraint line exhibit?

বাজেট-সীমিত ৰেখাই কি প্ৰদৰ্শন কৰে?

(f) What will be the shape of the Engel curve for a Giffen good?

গিফেন দ্ৰব্যৰ বাবে এঞ্জেল ৰেখাৰ আকৃতি কেনেকুৱা হ'ব?

(g) What is an isoquant?

সমউৎপাদন ৰেখা কি?

(h) What is opportunity cost?

সুযোগ ব্যয় কি?

*(i)* What does the cardinal utility approach assume about the marginal utility of money?

মুদ্ৰাৰ প্ৰান্তিক উপযোগিতা সম্পৰ্কে সংখ্যাগত উপযোগিতা বিশ্লেষণৰ অনুমিত স্বীকাৰ্য কি?

*(j)* Price effect = Income effect + Substitution effect

( Write True or False )

দৰ বিপাক = আয় বিপাক + প্ৰতিকল্প বিপাক

( সত্য নে অসত্য লিখা )

**2.** Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

*(a)* What is comparative statics?

তুলনামূলক স্থিতিশীলতা কি?

*(b)* Draw a line diagram showing static market equilibrium.

স্থিতিশীল বজাৰৰ ভাৰসমতা দেখুৱাই এটা বৈখিকচিত্ৰ অংকন কৰা।

*(c)* What does the marginal rate of substitution of $x$ for $y$ ($MRS_{xy}$) refer to?

$y$ৰ প্ৰতি $x$ৰ প্ৰান্তিক প্ৰতিকল্পনৰ হাৰ ($MRS_{xy}$) মানে কি বুজায়?

*(d)* What is Giffen paradox?

গিফেন সাঁথৰ কি?

*(e)* Show the shape of isoquant in the case of perfectly substitute factors.

সম্পূর্ণ প্রতিকল্প উপাদানৰ ক্ষেত্রত সমউৎপাদনৰেখাৰ আকৃতি কেনেকুৱা হয়, দেখুওৱা।

**3.** Answer any *four* of the following questions : 5×4=20

তলৰ যি কোনো চাৰিটা প্রশ্নৰ উত্তৰ লিখা :

*(a)* Explain how 'scarcity' leads to economic problems.

'অপ্রাচুর্য'ই কিদৰে আর্থিক সমস্যাৰ সৃষ্টি কৰে, ব্যাখ্যা কৰা।

*(b)* Draw and explain an income-consumption curve.

এডাল আয়-উপভোগ ৰেখা অঙ্কন কৰি ব্যাখ্যা কৰা।

*(c)* Clarify the meaning of explicit cost and implicit cost.

প্রকাশ্য ব্যয় আৰু অপ্রকাশ্য ব্যয়ৰ অর্থ স্পষ্টকৈ লিখা।

*(d)* State the concept of production function.

উৎপাদন ফলনৰ ধাৰণাটো উল্লেখ কৰা।

(e) Briefly describe the concept of expansion path.

সম্প্ৰসাৰণ পথৰ ধাৰণাটো চমুকৈ বৰ্ণনা কৰা।

(f) State any five economies associated with an increase in scale of production.

উৎপাদনৰ মাত্ৰা বৃদ্ধিৰ সৈতে জড়িত থকা যি কোনো পাঁচটা মিতব্যয়িতা উল্লেখ কৰা।

4. Answer the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) State the concept of market interventions. Describe various kinds of market interventions. 2+8=10

বজাৰ হস্তক্ষেপৰ ধাৰণাটো লিখা। বিভিন্ন প্ৰকাৰৰ বজাৰ হস্তক্ষেপৰ বৰ্ণনা দিয়া।

*Or / অথবা*

Explain the limitations of cardinal utility approach. State two reasons showing superiority of indifference curve over the cardinal utility analysis. 6+4=10

সংখ্যাগত উপযোগিতা বিশ্লেষণৰ সীমাবদ্ধতাসমূহ ব্যাখ্যা কৰা। সংখ্যাগত উপযোগিতাৰ তুলনাত নিৰপেক্ষ ৰেখাৰ শ্ৰেষ্ঠত্বৰ দুটা কাৰণ লিখা।

*(b)* "Indifference curves exhibit three basic characteristics : they are negatively sloped, they are convex to the origin and they cannot intersect." Explain these with diagrams. 10

"নিৰপেক্ষ ৰেখাৰ তিনিটা প্ৰধান বৈশিষ্ট্য হৈছে : ইবোৰৰ ঢাল ঋণাত্মক, ইবোৰ কেন্দ্ৰৰ পিনে উত্তল আৰু ইহঁতে কটাকটি কৰিব নোৱাৰে।" চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।

*Or / অথবা*

Elaborate the concept of consumer's surplus. 10

ভোক্তাৰ উদ্বৃত্তৰ ধাৰণাটো বহলাই লিখা।

*(c)* Describe different stages of the law of variable proportion with a suitable diagram. 10

উপযুক্ত চিত্ৰ সহকাৰে পৰিবৰ্তনশীল অনুপাত বিধিটোৰ স্তৰসমূহৰ বৰ্ণনা দিয়া।

*Or / অথবা*

"The long-run average cost curve is U-shaped and relatively more flat than the short-run average cost curve." Explain the statement with appropriate diagram. 10

'দীৰ্ঘকালৰ গড়-ব্যয় ৰেখাডাল U-আকৃতিৰ আৰু হ্ৰস্বকালৰ গড়-ব্যয় ৰেখাতকৈ অধিক বহল।" কথাষাৰ উপযুক্ত চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।

*(d)* Draw and explain marginal revenue curve and average revenue curve under perfectly competitive market and monopoly. 5+5=10

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ আৰু একচেটিয়া বজাৰৰ প্ৰান্তিক আয় ৰেখা আৰু গড় আয় ৰেখা অঙ্কন কৰি ব্যাখ্যা কৰা।

*Or / অথবা*

Explain how a firm attains equilibrium with the help of total revenue and total cost approach. 10

মুঠ আয় আৰু মুঠ ব্যয় বিশ্লেষণৰ সহায়ত প্ৰতিষ্ঠান এখনৰ ভাৰসাম্য লাভৰ অৱস্থাটো ব্যাখ্যা কৰা।

★★★